জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

*প্ৰেছ বাৰ্তা নং - ৩৪২/২০২১*

## অসম ৰাইফলছৰ শ্বহীদ জোৱান সুমন স্বৰ্গিয়াৰীৰ পৰিয়ালক সাক্ষাৎ মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

শ্বহীদগৰাকীৰ পৰিয়ালৰ হাতত ৫০ লাখ টকাৰ চে'ক অৰ্পণ মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ১৭ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বাক্সা জিলাৰ বৰমাৰ থেকেৰাকুছি কাঁহিবাৰী গাঁওস্থিত অসম ৰাইফলছৰ শ্বহীদ জোৱান সুমন স্বৰ্গিয়াৰীৰ বাসগৃহত উপস্থিত হৈ তেওঁৰ পৰিয়ালবৰ্গক সাক্ষাৎ কৰে। মুখ্যমন্ত্ৰীয়ে জোৱানগৰাকীৰ প্ৰতিকৃতিত পুষ্পাঞ্জলি অৰ্পণেৰে শ্বহীদগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

যোৱা ১৩ নৱেম্বৰত মণিপুৰৰ চুৰাচান্দপুৰ জিলাত সংঘটিত উগ্ৰপন্থীৰ এক অতৰ্কিত আক্ৰমণত অসম ৰাইফলছৰ ইউনিটটোৰ কমাণ্ডিং অফিচাৰকে ধৰি আন সাতগৰাকীৰ সৈতে ৰাইফলমেন সুমন স্বৰ্গীয়াৰীয়ে শ্বহীদবৰণ কৰিছিল।

মুখ্যমন্ত্ৰী শৰ্মাই শ্বহীদ জোৱানগৰাকীৰ শোকাৰ্ত পৰিয়ালৰ সৈতেও বাৰ্তালাপ কৰে আৰু তেওঁলোকক গভীৰ সমবেদনা জ্ঞাপন কৰে। দেশমাতৃৰ হকে শ্বহীদগৰাকীৰ মহান বলিদানৰ সন্মানস্বৰূপে তেওঁৰ নিকটাত্মীয়ৰ হাতত মুখ্যমন্ত্ৰীয়ে ৫০ লাখ টকাৰ এককালীন সাহায্যৰ এখন চে'কো অৰ্পণ কৰে।

আনহাতে শ্বহীদগৰাকীৰ বাসগৃহত উপস্থিত থকা অঞ্চলটোৰ স্থানীয় লোকসকলৰ অনুৰোধ অনুসৰি মুখ্যমন্ত্ৰীয়ে লোক নিৰ্মাণ বিভাগক গাঁওখন সংযোগী পথটো নিৰ্মাণৰ বাবে জৰুৰী পদক্ষেপ গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়াৰ লগতে এইপথ শ্বহীদগৰাকীৰ নামেৰে নামকৰণ কৰা হ'ব বুলি ঘোষণা কৰে। মুখ্যমন্ত্ৰী শৰ্মাই লগতে কয় যে শ্বহীদগৰাকীয়ে অধ্যয়ন কৰা হিড়িম্বা বড়ো উচ্চ মাধ্যমিক বিদ্যালয়ত এখন গ্ৰাম্য ষ্টেডিয়াম নিৰ্মাণ কৰা হ'ব।

মুখ্যমন্ত্ৰীৰ আজিৰ এই কাৰ্যসূচীৰ সময়ত হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্ম, মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱাৰ লগতে বিধায়কসকল ক্ৰমে ভূপেন বড়ো, লৰেন্স ইছলাৰী আৰু জিৰন বসুমতাৰীও উপস্থিত আছিল।

***বীঃগঃ/প্ৰঃকুঃবঃ***
**১৭-১১-২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in
**E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam
cmassam.prcell@gov.in